লৌহিত্য সাহিত্য সেতু: সহযোগী বিদ্বানৰ দ্বাৰা পুনৰীক্ষিত দ্বিভাষিক ই-আলোচনী
বৰ্ষ: ২; সংখ্যা: ৩; জুলাই-ডিচেম্বৰ, ২০২১

# ফাগুনৰ ফুল

✍ ড° অনামিকা ৰাজবংশী

আকৌ এবাৰ খিড়িকীখন জাপ খাই গ'ল। বতাহৰ কোবত পৰ্দাখনে টেবুলৰ কাগজবোৰ কোবাই গৈছে। বাহিৰত অলপ দূৰৈত হৰ্ হৰ্ শব্দ এটা ডাঙৰ হৈ আহিছে। যোৱা দুদিনমানৰ পৰা ঠাণ্ডাৰ প্ৰকোপ কমিছে যদিও এই বতাহজাকে ক'ৰবাত গোট মাৰি ৰোৱা চেঁচা অকণমান কঢ়িয়াই লৈ আহিছে। আৰু কেইচেকেণ্ডমানৰ ভিতৰত বৰষুণ এজাকে ধুই নিব খিড়িকীৰ সিপাৰৰ গছ-বনবোৰ। ভালেই হ'ব। এইকেইদিন ইমান ধূলি হৈছিল যে সদায় চেম্পু কৰি কণ্ডিশ্যনাৰ ব্যৱহাৰ কৰিও চুলিখিনিক সজাব পৰা নগৈছিল। আউলি-বাউলি চুলিবোৰ ফাগুনে জোকাই ভাল পায়। ফাগুনে ভাল পাই কাজল চাৱনিৰ উপত্যকাত চিলা খেদা উৎসৱ পাতি। উতনুৱা ফাগুন, উন্মাদ ফাগুন। পলাশৰ দৰে যাৰ হৃদয় ৰঙচুৱা। বৰষুণৰ শব্দবোৰ টিনপাতত পৰিবলৈ আৰম্ভ কৰিছে। ঝৰঝৰকৈ সৰি পৰা শব্দ...। বেৰত ওলোমাই থোৱা কেলেণ্ডাৰ আৰু ফ'টোবোৰ পেণ্ডুলামৰ দৰে দুলিবলৈ ধৰিলে। হোষ্টেলৰ ছোৱালীবোৰৰ মাজত চিঞৰ-বাখৰ আৰম্ভ হ'ল। হয়তো কোনোবাই বৰষুণক গালি পাৰিছে, হয়তো কোনোবাই বৰষুণৰ প্ৰেমত অনুভৱৰ চিঠি লিখিবলৈ লৈছে। এয়াইটো বৰষুণৰ মাদকতা।

বৰষুণজাক শেষ হয় মানে সকলোৱে নিশাৰ আহাৰ গ্ৰহণ কৰি শেষ কৰিলে। ৰুমমেট বৰষা ঘৰলৈ গৈছে। তাইৰ আইতাক ঢুকাইছে। কোঠাটোত সোমাই নিশিগন্ধা চিধাই বিচনাত

পৰিল। বৰষুণজাকে হঠাতেই ঠাণ্ডা নমাই দিলে। এতিয়া কম্বলৰ তলত সোমাই থকাৰ বাহিৰে আন একো মন নাযায়। পৰীক্ষালৈ আৰু মাজত তিনিমাহ বাকী। দুদিনৰ আগতে মহাবিদ্যালয় সপ্তাহ শেষ হৈছে। ছোৱালীবোৰ আকৌ নিজৰ নিজৰ কামত ব্যস্ত হৈ পৰিছে। সেইদিনা ঘৰলৈ যাওঁতে দেউতাকে তাইক কৈছিল- ‘চহৰত পঢ়ি তই যদি ভাল নাম কৰি তাতে থিতাপি ল’ব পাৰ, তেতিয়াহ’লে আমাৰ পৰিয়াল নাম এটা হ’ব। ডিগ্ৰীটো এনেই ভালকৈ শেষ কৰিলেই নহ’ব। ইউনিভাৰ্চিটীত চিট পাব পাৰকৈ ভাল কৰিব লাগিব। কথাবোৰ মনত ৰাখিবি।’ নিশিগন্ধায়ে মূৰ জোকাৰি ধেমালি ভাৱেৰে আঁতৰি আহিছিল। তাই জানে, মাক-দেউতাকৰ স্বপ্নৰ অট্টালিকাৰ খনিকৰ তাই নিজে হ’ব লাগিব। অথচ কথাবোৰ বেছি দ’কৈ ভাবিবলৈও তাইৰ মন নাযায়। তাইৰ যিমানখিনি সাধ্য, সিমানলৈকেহে কৰিব পাৰিব। তথাপিও চেষ্টা নকৰা নহয়। মন যোৱা যিকোনো কাম কৰিবলৈ পালে তাই সুখী। অৱশ্যে বহুসময়ত উচ্চাকাংক্ষাবোৰ ইউকেলিপ্টাছৰ দৰে ওখ হৈ গৈ থাকে। সমানে দীঘল হৈ গৈ থাকে ছাঁবোৰ। কেতিয়াবা এনেকুৱা লাগে যেন ডেউকা এযোৰ লগাই উৰি যাব ক’ৰবালৈ। চকুৰ আগত ভাঁহি উঠিল কেইখনমান চিনাকি ভাল লগা মুখ। এখন দেউতাকৰ, এখন মাকৰ, এখন ভনীয়েকৰ। আৰু এখন মুখে একেবাৰে শেষত আহি ধৰা দিলেহি। লাজ, ভয় আৰু নিৰাপত্তাৰ ছবি এখন। বৰষুণে এৰি যোৱা টোপালবোৰ এতিয়াও টোপ্ টোপকৈ সৰি থাকিল। হঠাৎ ম’বাইলটো বাজি উঠিল। চিলমিল টোপনিৰ পৰা খৰমৰকৈ সাৰ পাই ফোনটোলৈ চালে। মাকে ফোন কৰিছে। বিৰক্তিৰ ভাব এটাই হেঁচি ধৰিলে। ইমান ৰাতিখন বাৰু ফোন কৰিব লাগে নে। “হেল্ল’ মাজনী, শুইছিলি নেকি? তাত বতাহ বৰষুণ কেনেকুৱা? আমাৰ গাঁৱত বতাহে গছ দুজোপামান মহতিয়াইছে। ঠাণ্ডা ন’লগাবি। কাঁহটো আৰাম পাইছনে? মই দি পঠোৱা দৰবটো সময়মতে খাইছনে? শুই থাক। টোপনি খতি নকৰিবি।” এইখিনি কথা ক’বলৈকে মাকে ফোন কৰিছিল। সঁচাই, মাকবোৰৰ যে সন্তানক

লৈ কিমান চিন্তা। হাজাৰ হ'লেও তাই ঘৰৰ পৰা দূৰৈত আছে। চিন্তাটো লাগিবই। ধুনীয়াকৈ আহিব ধৰা টোপনিটো ভাঙি গ'ল। ম'বাইলটো টেবুলত থ'ব খোজোতে হাতত পানী অলপ লগা যেন অনুভৱ হ'ল। তাই ঘপহকৈ উঠি লাইটটো জ্বলাই দিলে। বৰষুণৰ পানী খিড়িকীৰ কোনোবা এফালে সোমাই টেবুলৰ একাষে থকা কিতাপ দুখনমান তিয়াই পেলাইছে। সেইখিনি এখন এখনকৈ জাপি অন্য এফালে থওঁতে কিতাপৰ মাজত ভাঁজ কৰি থোৱা কাগজ এখন তাই দেখিবলৈ পালে। জীউটো চিৰিংকৈ উঠিল। তৎক্ষণাৎ কাগজখন মেলি চালে। কাগজখন সেমেকি আখৰবোৰ অস্পষ্ট হৈ পৰিছে। তাত লিখা কথাবোৰ নিশিগন্ধাৰ মনত আছিল যদিও আকৌ এবাৰ পঢ়িবলৈ মন গ'ল। কাগজখন শুকুৱাবৰ বাবে টেবুলত সযতনে মেলি থ'লে। মনটো কিবা বেয়া লাগি গ'ল। কিছুমান সৰু সৰু বস্তুৱেও মানুহক আবেগিক কৰি তোলে। সেই সৰু বস্তুবোৰ সমানে আদৰৰো। লাইটটো অফ্ কৰি আকৌ বিচনাত পৰিল নিশিগন্ধা। এইবাৰ সেই কাগজখন অনবৰত ভাঁহি থাকিল তাইৰ চকুৰ পতাত। কাৰো ছবি নহয়। কেইটামান ধুনীয়া আখৰ।

"মোক এবাৰ ভাল পাওঁ বুলি কিয় নোকোৱা নিশি? হৃদয়ৰ সীমান্তত ঢৌ উৰিছে। মই তোমাৰ চকুৰ উজ্জ্বলতাত হেৰাই থাকিব খোজো। তোমাৰ চকুৰ কাজললৈৰে মোক পুৰি পেলোৱা। ছাই কৰি দিয়া মাটিৰ বিষাদবোৰৰ স'তে। তোমাৰ উশাহবোৰ মোৰ বাবে প্ৰেৰণা। এহেজাৰ ফাগুনে জ্বলাই যায় আকাশত পলাশৰ শলিতা। প্লিজ নিশি, এবাৰ মোক ভাল পাওঁ বুলি কোৱা?" কাগজখনত লিখা কথাবোৰ ঠিক কথা নে কবিতা তাই বুজিব নোৱাৰে। অথচ কথাখিনি ভাল লাগে তাইৰ। একপ্ৰকাৰৰ আবেদন যেন বোধ হয়। দুচকুত এতিয়াও স্পষ্ট হৈ আছে সেই প্ৰতিচ্ছবি। নিশিগন্ধা আকৰীজনী হৈ থকা সময়ৰ ফাগুনৰ বা-বলা ৰূপালী সন্ধিয়াৰ জোনাকৰ ৰূপালী আভাৰ দৰে প্ৰেৰণাৰ অজস্ৰ লহৰ হৈ প্ৰত্যুষে তাইৰ হাতত গুজি দিছিল সেই কাগজখন। এনেকুৱা এখন কাগজ আগতে পঢ়া

মনত নপৰে তাইৰ। সেইবাবে খুব সযতনে কিতাপৰ মাজত ভৰাই থৈছিল। কলেজৰ পৰা আহি ৰুমত সোমাই খৰধৰ লাগে। অলপ ফ্ৰেছ হৈ কিবা এটা খাই আকৌ টিউচনলৈ যাব লাগে। কলেজ আৰু হোষ্টেলৰ বিভিন্ন দায়িত্ব থকাৰ বাবে তাৰ মাজতে আকৌ কেইবাটাও ফোন ৰিচিভ কৰিব লাগে। কোনোবাটো নকৰিলেও লেঠা লাগে। সময়বোৰৰ লগত খাপ খাব পৰাকৈ সম্পূৰ্ণৰূপে নিজক সজাব পৰা নাই নিশিগন্ধাই। সন্মুখত যি পায় তাকে কৰি পেলায়। অৱশ্যে প্ৰতিটো কাম আত্মবিশ্বাস আৰু একাগ্ৰতাৰে কৰে। সেইবাবে আজিলৈকে হয়তো তাই কৰা কামবোৰত কোনেও বিশেষ অসুবিধা পোৱা নাই।

তেনেকৈয়ে দিনবোৰ পাৰ হৈ গৈছিল। পাৰ হৈ গৈ আছিল বহু প্ৰত্যাশিত দোকমোকালিবোৰ। নতুন উদ্যমেৰে ফাগুনৰ পছোৱাবোৰে তাইক খুন্দিয়াই থৈ যায়; মাজে মাজে আনমনা হৈ উঠে মন। মাজে মাজে আকৌ বিচিত্ৰ অভিজ্ঞতাৰে থৌকি বাথৌ হৈ পৰে তাইৰ হৃদয় মৰুভূমি। দীঘলী পুখুৰীৰ পাৰেদি কলেজলৈ যোৱাৰ পৰত নিশিগন্ধাই অনুভৱ কৰে যৌৱনৰ প্ৰাচুৰ্য। বিষাদৰ ঐয়াঙৰ পৰা ভালপোৱাৰ দৈয়াঙলৈ ওভটনি সোঁতত তাইৰ যৌৱনৰ ভাঁজে ভাঁজে শিহৰণ জাগে। সেই দিনবোৰত তাই বাস্তৱৰ পৰা পলায়নৰ বাট বিচাৰি হাবাথুৰি খাইছিল। বিশ্বাস ভংগ কৰি তাইৰ স্নেহাস্পদজনে যেতিয়া তাইৰ সৰল, সৎ বিশ্বাসক হত্যা কৰিছিল, যন্ত্ৰণাত ফাটি পৰিছিল নিশিগন্ধাৰ হৃদয়। প্ৰতিশ্ৰুতি ভংগ কৰাৰ যন্ত্ৰণাই তাইক পুৰি নিছিল এফালৰ পৰা। যাৰ বাবে তাই কেতিয়াও কাকো প্ৰতিশ্ৰুতি দিব খোজা নাই। তাই অনুভৱ কৰিছিল যেন সততাৰে কৰা কামবোৰত বাৰে বাৰে সমালোচনাৰ সন্মুখীন হৈছে। নিচাঘন নিশাবোৰত নিশিগন্ধাই অনুভৱ কৰিছিল অন্তৰাত্মাৰ কৰুণ ক্ৰন্দন। এনে সময়তে স্বাভাৱিকতেই উই হাফলু বঢ়া দি বেদনাবোৰো বাঢ়ি গৈ আছিল। কিন্তু হৃদয়ৰ সততাখিনি তেতিয়াও অটুট আছিল আৰু এনে সময়ত বনদৰৰ হিচাপে কাম কৰিছিল কিতাপৰ জাপৰ মাজত থকা কাগজখিলাই। নিশা প্ৰায়

আঢ়ৈ বাজিছিল। ইতিমধ্যে সকলো শুই পৰিছিল। খিড়িকী খোলা আছিল। বেৰ খনত আউজি তাই কাগজখন পঢ়িবলৈ ধৰিলে। এক অদৃশ্য শক্তিয়ে আহি যেন গাত ধৰিছেহি। লাহে লাহে তাই অনুভৱ কৰিছে দুখ আছে বাবেহে সুখবোৰ সুন্দৰ। অৱশেষত নিজৰ বাবে নিজে নিৰ্মাণ কৰি লোৱা প্ৰেৰণাৰ জগতখনত ভৰি দি নতুন উদ্যমেৰে জীৱনক পাই জীয়াই থাকিবলৈ তাই থিৰ কৰিলে।

ৰাতি শোৱা দেৰি হয় বাবেই তাইৰ ৰাতিপুৱা শুই উঠাত যথেষ্ট পলম হয়। সাৰ পাইয়ে চকুদুটা মোহাৰি তাই ফেচবুক ল'গ ইন কৰি দেখে যে অসংখ্য শুভকামনাৰে ভৰ্তি তাইৰ ইনবক্স। প্ৰথমটো মেচেছ খুলি চালে- "জন্মদিনৰ হিয়াভৰা শুভেচ্ছা থাকিল"- প্ৰত্যুষৰ মেচেছ। ধন্যবাদ বুলি টাইপ কৰি বাথৰুমলৈ গ'ল। নিশিগন্ধাৰ মনটো কিবা এটা ভাল লাগিল। বাকী ৰুমৰ ছোৱালীবোৰেও আহি শুভকামনা জনালেহি। ৰুমমেট ৰিতু, ধৃতি, বিদিতাই চিঞৰি চিঞৰি জন্মদিনৰ শুভেচ্ছা জনালেহি। দিনটো ভালে যাওঁক বুলি মেজৰ ওপৰত থকা ভগৱানৰ ফটোখনত ধূপ এডাল জ্বলাই কলেজলৈ বুলি ওলাই গ'ল।

প্ৰত্যুষ, নিশিগন্ধাৰ একান্ত বন্ধু। কোনোবা এখন পেপাৰত তাই লিখা প্ৰবন্ধ এটি পঢ়ি সি তাইৰ লগত বন্ধুত্ব কৰিছিল। এনেদৰেই সিহঁতৰ চিনাকি। লাহে লাহে সিহঁতৰ মাজত এটি আত্মিক সম্বন্ধই গঢ় লৈছিল। বহুত বিশ্বাস আছে এই সম্বন্ধত। নিশিগন্ধাই তাক নিজৰ বিশ্বাসৰ বন্ধু বুলিলে সদায় গ্ৰহণ কৰিছিল। কিন্তু প্ৰত্যুষ, যেন দিনক দিনে তাইৰ প্ৰতি খেয়ালী হৈ গৈ আছিল। আৰু এদিন ধেমালিৰ চলেৰে এখন কাগজ তাইৰ দুহাতত দি লাজ লাজকৈ আঁতৰি গৈছিল। নিশিগন্ধা অপ্ৰস্তুত হৈ পৰিছিল। দুদিনমান পিছত কোনোবা কলেজৰ আদৰ্শৱান প্ৰবক্তা হৈ দেউতাকৰ সপোন পূৰণৰ বাবে গঢ় দিয়া আশাবোৰৰ স্বাৰ্থত তাই প্ৰত্যাখ্যান কৰিছিল সেই প্ৰস্তাৱ।

সময়বোৰ পাৰ হৈছিল। দুদিনৰ পিছত পৰীক্ষা আৰম্ভ। গণেশ মন্দিৰৰ নিৰ্মালি মেজৰ

ওপৰত। দেউতাকে মৰমেৰে দি থৈ যোৱা হৰলিক্সটোও কাষতে থৈছে। কলেজৰ চাৰ, বাইদেউসকলৰ চৰণ চুই আশীৰ্বাদ লৈছে। যিহেতু লাষ্ট চেমিষ্টৰৰ ৰিজাল্ট ভাল কৰিম বুলি তাই দঢ় প্ৰতিজ্ঞ। পৰীক্ষাৰ আগদিনা। তাইৰ মনটো কপিছে। কি হ'ব? ন'হ'ব? বুলি এক দোদুল্যমান অৱস্থা। এনেকুৱা লাগিছিল যেন ছয়া-ময়া আন্ধাৰ পোহৰৰ পৃথিৱীত আহি ভৰি দিছেহে। মনে বিচৰাখিনি যেন বিচাৰি পোৱা নাছিল। তাইৰ চকু পৰিছিল কিতাপৰ জাপৰ মাজত। কাগজখন উলিয়াই আনি পঢ়িছিল। মুখস্থ নকৰাকৈ যেন আখৰবোৰ মনত ৰৈছিল। কাগজখনৰ প্ৰতি তাইৰ মোহ জন্মিছে। ভাল লাগিব লৈছে। এক অদম্য প্ৰেৰণা। মিহিকৈ ভাঁজ কৰি কিতাপখনৰ মাজত থৈ তাই নতুন উছাহেৰে পঢ়াত লাগিল। তাই বিচৰাধৰণে ৰিজাল্ট আহিল। মাক-দেউতাকৰ সপোন পূৰণ কৰি তাই ইউনিভাৰ্চিটিত ছিটটো ল'লে। তথাপিও কাগজখিলা খুলি চাই তাই প্ৰায়ে অনুভৱ কৰে বহু ভিৰৰ মাজত থাকিও তাই যেন অকলশৰীয়া। বহু কথাৰে অগাদেৰা। উদাসীন চকুৰ প্ৰতিটো দৃষ্টিয়ে কাগজখিলাৰ গৰাকীৰ অস্তিত্বক বিচাৰি ফুৰে।

নিশিগন্ধাৰ এতিয়া নতুন ঠিকনা গুৱাহাটী বিশ্ববিদ্যালয়। দিনটো ক্লাছ, গধূলি এটা টিউচন, মাজে মাজে বন্ধু-বান্ধৱীৰ লগত আড্ডা তেনেদৰেই তাইৰ বিশ্ববিদ্যালয়ৰ সময়বোৰ পাৰ হৈ গৈ আছে। আজিকালি মাক-দেউতাকে তাইক ঘনকৈ ফোন কৰি নাথাকে, ঘৰৰ কথাবোৰ আলোচনা কৰিবলৈহে ফোন কৰে। সময়ৰ লগত যে প্ৰতিজন ব্যক্তিৰে জীৱনটো গভীৰ ভাবে সম্পৃক্ত হৈ থাকে। নিশিগন্ধাৰ এইবোৰ কথা ভাবিলে আচৰিত অনুভৱ হয়। আজি গধূলিৰে পৰা মাকে ফোনটো ৰিচিভ নকৰা বাবে তাইৰ মাকৰ ওপৰত খং উঠি আছে, ইফালে বতৰটোও ডাৱৰিয়া হৈ অহা যেন দেখি সোনকালেই ভাত খাই আহি তাই বিছনাত পৰিলহি। অলপ সময়ৰ পাছত মাকৰ ফোন অহাত তাইততালিকে ফোনটো ৰিচিভ কৰিলে। অইন দিনাতকৈ গম্ভীৰ স্বৰত মাকে ক'বলৈ আৰম্ভ কৰিলে "মাজনী,

আজি তোৰ দেউতাৰৰ বন্ধু এজন তেওঁৰ পৰিবাৰৰ লগত আমাৰ ঘৰলৈ আহিছিল। তেওঁলোকৰ ল'ৰাজনে যোৱাটো বছৰত এম. বি. বি. এছ. ডিগ্ৰী লৈ গুৱাহাটীৰ হাস্পাতাল এখনত কাম কৰি আছে। তাৰ বাবে এজনী ভাল ছোৱালী লাগে। তোক সিহঁতে সৰুতেই লগ পাইছিল। তোৰ চাগে সেইবোৰ কথা মনত নাই। মাক-দেউতাক হাল বৰ ভাল মানুহ বুজিছ। দেউতাৰে তোক কথাখিনি ক'বলৈ ক'লে। বাকী তই এতিয়া বুজা হৈ উঠিছ। কথাবোৰ ভাবি চাবি। আৰু শুন ল'ৰাটোৱে হেনো তোক আগৰে পৰাই জানে, সিও তোৰ নিচিনাকৈয়ে লেখা-মেলা কৰে। ল'ৰাটোৰ নাম প্ৰত্যুষ।" কথাখিনি কৈয়েই মাকে সিফালৰ পৰা ফোনটো কাটি দিলে। মাকৰ কথাবোৰ শুনি থাকোঁতেই নিশিগন্ধাৰ গাটো তপত হৈ আহিছিলহে, কিন্তু শেষৰ সেই শব্দটো শুনাৰ লগে লগে তাই বিছনাৰ পৰা উঠি বহিল। এক অজান শিহৰনে তাইক জোঁকাৰি গ'ল। ইতিমধ্যে বাহিৰত বৰষুণ দিবলৈ আৰম্ভ কৰিছে। খিড়িকীখন জোৰকৈ খুলি তাই বৰষুণজাকৰ পিনে চালে। বৰষুণ জোৰকৈ পৰিছে যেন তাইৰ দুখবোৰ মচি সুখৰ গুণ গুণ হৈ গান গাই সিহঁতে নিশিগন্ধাৰ পদুলিত আমোলমোলাইছেহি। তাই আৰু নৰখিলে, চাৰ্জত দি থোৱা মোবাইলটো লৈ প্ৰত্যুষলৈ বুলি ফোন লগালে। অতদিনে বেৰি থকা তাইৰ শূণ্যতাবোৰ কোনোবাফালেদি গৈ নাইকিয়া হ'লগৈ। মন খুলি তাই প্ৰত্যুষৰ লগত কথা পাতিলে। তাৰ ইমান দিনৰ সপোন আজি বাস্তৱ হ'ল। কাইলৈ সিহঁত লগ হ'ব। ৰঙৰ উৎসৱ কাইলৈ....। দুয়োটাই নিজকে বোলাই দিব ৰামধেনু ৰঙী সপোনবোৰৰ মাজত। কাগজখিলা হাতত লৈ নিশিগন্ধাই জীৱনৰ ৰঙবোৰৰ লগত লুকাভাকু খেলিবলৈ ল'লে। মধুৰ মাদকতাই কোঠাটো আৱৰি ধৰিলেহি। ক্ৰমাৎ বৰষুণ জাক ডাঙৰ হৈ গৈ থাকিল। নিশিগন্ধাৰ জীৱনৰ সৰলৰৈখিক নদীখনত লাজ, ভয়, শংকা নামৰ জাঁজী মেটেকাবোৰ যেন উটি যাবলৈ ধৰিছে।

এৰা!!!

নিশিগন্ধাৰ বুকুত আজি বলীয়া ফাগুনৰ ফুল ফুলিছে। নতুন প্ৰত্যাশাৰে ভৰি পৰিছে তাইৰ জীৱন। এয়া ফাগুনৰ সময়।

ফাগুনী বতাহে চঞ্চলা কৰি তোলা ৰং বিৰঙী ফাগুনৰ ফুল।

**যোগাযোগৰ ঠিকনা:**
ই-মেইল: rajbonshianamika@gmail.com